# গণতন্ত্ৰৰ অসুখ

**সূৰুয ফুকন**

ভাৰতবৰ্ষ বিশ্বৰ ভিতৰত এখন বৃহৎ গণতান্ত্ৰিক ৰাষ্ট্ৰ। কিন্তু ভাৰতবৰ্ষত বৰ্তমান গণতন্ত্ৰ সম্পূৰ্ণ ৰূপত সুৰক্ষিত হৈ আছেনে? ই এটা বৃহৎ প্ৰশ্ন। গণতন্ত্ৰৰ মূল আধাৰ হ'ল ইয়াৰ নাগৰিক সমাজ। নাগৰিকসকলৰ জ্ঞান, দক্ষতা আৰু বিচাৰ-বিবেচনা কৰিব পৰা ক্ষমতাৰ ওপৰতে ৰাষ্ট্ৰখনৰ সামগ্ৰিক অৱস্থাটো নিৰ্ভৰশীল। **সুস্থ-সবল গণতন্ত্ৰ প্ৰতিষ্ঠা কৰিবলৈ নাগৰিকসকলৰ নাগৰিকত্ববোধৰ গুণগত মান উচ্চ হোৱাটো জৰুৰী। এনে উন্নত মানসম্পন্ন নাগৰিক সৃষ্টিৰ ক্ষেত্ৰত মূল ভূমিকা পালন কৰিব লাগে সেই নিৰ্দিষ্ট ৰাষ্ট্ৰখনৰ শিক্ষা ব্যৱস্থাই।** উন্নত মানবিশিষ্ট নাগৰিকেহে উন্নত প্ৰগতিশীল সমাজ ব্যৱস্থা এটা আৰু সৰ্বদিশতে উন্নত এখন গণতান্ত্ৰিক ৰাষ্ট্ৰ গঢ়ি তুলিব পাৰে। ভাৰতীয় গণতন্ত্ৰৰ অতীত আৰু বৰ্তমানৰ সামগ্ৰিক অৱস্থাক ভালদৰে নিৰীক্ষণ কৰিলে নাগৰিকসকলৰ চিন্তা আৰু বিচাৰ-বিবেচনা কৰিব পৰা বিবেক দংশনৰ দীনতা বাৰুকৈয়ে দেখা যাব। এইক্ষেত্ৰত নাগৰিকসকলৰ বিবেক দংশনৰ দীনতাই কেৱল দেখা নাযায়, তাৰ সমান্তৰালভাৱে নেতাসকলৰ অৱস্থাও বহু ক্ষেত্ৰত একে বুলিব পাৰি। দেশীয় গণতান্ত্ৰিক বিধি-ব্যৱস্থাত এনে বহু দিশ আছে যিবোৰ আমি গণতন্ত্ৰৰ অসুখ বুলিব পাৰোঁ।

**প্ৰলোভনৰ ৰাজনীতি ঃ** গণতান্ত্ৰিক ৰাষ্ট্ৰত প্ৰলোভনৰ ৰাজনীতিয়ে ৰাষ্ট্ৰখনক গণতন্ত্ৰৰ পৰা 'স্বল্পতন্ত্ৰ'লৈ পৰ্যবসিত কৰিব পাৰে। ভাৰতবৰ্ষৰ ৰাজনীতিত ভোটাৰক প্ৰলোভিত কৰিব পৰাটো নেতাসকলৰ এটা ডাঙৰ গুণ বুলি বিবেচনা কৰা হয়। এনে প্ৰলোভনৰ নিকৃষ্টতম উদাহৰণ হ'ল ভোট গ্ৰহণৰ আগে আগে ভোটাৰৰ মাজত টকা, মদ, আঁঠুৱা, কম্বল আদি বিলোৱা কাৰ্য। এই প্ৰলোভনৰ ৰাজনীতি খন্তেকীয়া কিন্তু ইয়াৰ প্ৰভাৱ সুদূৰপ্ৰসাৰী ধৰণৰ হয়।

**হিতাধিকাৰী ভোট বেংক ঃ** বিগত কেইটামান দশকৰ ৰাজনৈতিক ক্ষেত্ৰখনলৈ লক্ষ্য কৰিলে দেখা যাব যে যি দলৰ চৰকাৰে বিভিন্ন আঁচনি প্ৰয়োগৰ যোগেদি নাগৰিকসকলৰ মাজত অধিক পৰিমাণে হিতাধিকাৰী সৃষ্টি কৰিব পাৰে সেই দলৰ শাসন কিছু পৰিমাণে দীৰ্ঘস্থায়ী হৈ আহিছে। এনে আঁচনিসমূহৰ উৎকৃষ্ট উদাহৰণ হ'ল পূৰ্বৰ কংগ্ৰেছ চৰকাৰৰ দিনৰ 'কল্পতৰু', মামণি, মাজনী আদি আৰু বৰ্তমানৰ 'অৰুণোদয়' অথবা বিবাহৰ ক্ষেত্ৰত ১০ গ্ৰাম সোণ দানৰ আঁচনি আদি। এখন কল্যাণকামী ৰাষ্ট্ৰত জনকল্যাণৰ কাৰণে নাগৰিক সমাজক আৰ্থিক দিশত সকাহ যোগাব পৰা কৰ্ম-আঁচনিৰ উপযোগিতা নিশ্চয় আছে, কিন্তু উৎপাদনহীন কেৱল এককালীন দান বা সাহায্য প্ৰদানৰ দৰে আঁচনিৰ উপযোগিতা কিমান—ই এটা ডাঙৰ প্ৰশ্ন? আকৌ এনেবোৰ আঁচনিৰ বাবে যি বৃহৎ পৰিমাণৰ ধনৰ প্ৰয়োজন হয় সেই ধনৰ উৎসই বা কি? ধৰা হওক এনে আঁচনিৰ বাবে প্ৰয়োজন হোৱা ধনৰাশি চৰকাৰে কোনো উৎসৰ পৰা ঋণ হিচাপে ল'লে। তেন্তে সেই ঋণ পৰিশোধৰ উপায় নিশ্চয়কৈ কৰ-কাটলৰ বৃদ্ধিয়েই নহ'বনে?

**উগ্ৰ সাম্প্ৰদায়িকতাবাদ ঃ** বহু ধৰ্ম, বৰ্ণ, জাতি, জনজাতিৰে গঠিত বৰ্ণিল ভাৰতীয় সমাজ ব্যৱস্থাৰ প্ৰতি উগ্ৰ সাম্প্ৰদায়িকতাবাদ এটা বৃহৎ ভাবুকিস্বৰূপ। স্ব-সম্প্ৰদায়ৰ প্ৰতি থকা আবেগিক টানে এটা সম্প্ৰদায়ক যিদৰে একতাৰ ডোলেৰে বান্ধি ৰাখিব পাৰে ঠিক তাৰ বিপৰীতে সাম্প্ৰদায়িকতাবাদৰ উগ্ৰ ৰূপটোৱে সমাজত বিচ্ছিন্নতাবাদৰ জন্ম দিব পাৰে। আকৌ একত্ৰিত হৈ থকা সম্প্ৰদায় এটাক শাসকগোষ্ঠীয়ে নিজৰ স্বাৰ্থত সহজে ভোটবেংক হিচাপে ব্যৱহাৰ কৰিব পাৰে। এনে কাৰণতেই নিৰ্বাচনৰ সময়ত প্ৰায় প্ৰতিটো দলেই প্ৰাৰ্থী নিৰ্বাচন কৰাৰ বেলিকা সাম্প্ৰদায়িক প্ৰতিনিধিত্বমূলক ভোটাৰসকলক বিশেষ গুৰুত্ব দিয়ে। প্ৰাৰ্থী নিৰ্বাচনত সাম্প্ৰদায়িক দিশক গুৰুত্ব দিয়াৰ পাছতো এটা বিশেষ সম্প্ৰদায়ৰ ভোট পাবৰ কাৰণে চতুৰ নেতাসকলে উচটনিমূলক আবেগিক ভাষণ দি সাম্প্ৰদায়িক সংঘৰ্ষ সৃষ্টিৰ দৰে ঘটনাও সংঘটিত কৰা দেখা যায়।

## আঞ্চলিকতাবাদ আৰু অতি কেন্দ্ৰীয় চৰিত্ৰ

ভাৰত এখন সংসদীয় যুক্তৰাষ্ট্ৰ। এনে ৰাষ্ট্ৰৰ কাৰণে উগ্ৰ আঞ্চলিকতাবাদ যিদৰে বিপজ্জনক ঠিক অনুৰূপে অতিকেন্দ্ৰিক হেঁচাযুক্ত শাসন ব্যৱস্থাও সমানেই বিপজ্জনক। অতিকেন্দ্ৰিক শাসন ব্যৱস্থাই প্ৰান্তীয় ৰাজ্যসমূহত উগ্ৰ আঞ্চলিকতাবাদী শক্তিৰ উত্থানত সাৰ-পানী যোগান ধৰা দেখা যায়। পূৰ্বৰ ইন্দিৰা গান্ধীৰ শাসন কালত যিদৰে অতিকেন্দ্ৰিক শাসনে দেশত দুৰৱস্থাৰ সৃষ্টি কৰি অসমৰ দৰে প্ৰান্তীয় ৰাজ্যত বিচ্ছিন্নতাবাদক সাৰ-পানী যোগালে ঠিক অনুৰূপে বৰ্তমানৰ চৰকাৰৰ অতিকেন্দ্ৰিক শাসনে ভৱিষ্যতে উগ্ৰ আঞ্চলিকতাবাদ আৰু বিচ্ছিন্নতাবাদী শক্তিৰ পুনৰুত্থানত যে সাৰ-পানী যোগান ধৰিব সেয়া নিশ্চিত। এনে অতিকেন্দ্ৰিক শাসনৰ উৎকৃষ্ট উদাহৰণ হ'ল কাশ্মীৰৰ পৰা ৩৭০ ধাৰা আঁতৰ কৰাৰ সময়ত সেই ৰাজ্যৰ নেতাকেইজনমানক কৰা গৃহ বন্দিত্ব, নাগৰিকত্ব সংশোধনী আইনবিৰোধী প্ৰতিবাদক নস্যাৎ কৰি আইন প্ৰস্তুত কৰা, কৃষি আইনৰ বিৰোধিতা কৰাৰ সময়ত দিল্লীৰ মুখ্যমন্ত্ৰীক আবদ্ধ কৰি ৰখা আদিবোৰ।

এচাম শিক্ষিতৰ ৰাজনীতিৰ প্ৰতি অনীহা আৰু আন এচামৰ বৌদ্ধিক গোলামি। সাধাৰণতে দেখা যায় যে **সমাজৰ অধিকাংশ শিক্ষিত লোকেই ৰাজনীতিৰ ক্ষেত্ৰখনৰ পৰা আঁতৰি থাকিব খোজে। ইয়াৰ বিপৰীতে অশিক্ষিত-অৰ্ধশিক্ষিত লোকেৰে ভাৰতৰ ৰাজ্যসমূহৰ বিধানসভা আৰু লোকসভা ভৰি থকা দেখা যায়।** এনে শিক্ষিত চামৰ অনীহাৰ কাৰণেই এচাম অপৰিপক্ক নেতাৰ শাসনৰ অধীনত শিক্ষিত চামে কাম কৰিব লগা হৈছে। আকৌ এচাম উচ্চশিক্ষিত ব্যক্তিয়ে চিন্তাবিদ, সাংবাদিক আদি হৈ সমাজৰ সৰ্বস্তৰৰ লোকৰ কণ্ঠস্বৰ হিচাপে কাম কৰাৰ সলনি এচাম বিশেষ ক্ষমতাশালী ব্যক্তিৰ অন্ধ সমৰ্থক হিচাপে কাম কৰা দেখা যায়।

**অপৰাধ আৰু ৰাজনীতি ঃ** ভাৰতীয় ৰাজনৈতিক ক্ষেত্ৰখন বিভিন্ন অপৰাধত জড়িত অপৰাধীৰে ভৰি আছে। 'India Today' নামৰ আলোচনীখনে প্ৰকাশ কৰা মতে **২০১৯ চনৰ লোকসভা নিৰ্বাচনত জয়ী হোৱা ২৩৩জন সাংসদ বিভিন্ন অপৰাধমূলক গোচৰত অভিযুক্ত। এনে অপৰাধীৰ দ্বাৰা সুস্থ-সবল গণতন্ত্ৰ আশা কৰাটো ভুল।** এয়া মাত্ৰ লোকসভাৰ তথ্য; ৰাজ্যৰ বিধানসভা আৰু নিগম-নিকায়সমূহৰ অৱস্থাও প্ৰায় একে। অপৰাধী অথবা অপৰাধত অভিযুক্ত ব্যক্তিসকলক নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ পৰা বিৰত ৰাখিব পৰা এখন শক্তিশালী আইনৰ অভাৱ এইক্ষেত্ৰত মূলতঃ জগৰীয়া।

বিধায়ক বেচা-কিনাৰ মুক্ত প্ৰতিযোগিতাই বৰ্তমানৰ ভাৰতীয় গণতন্ত্ৰক 'ধনতন্ত্ৰ'লৈ পৰ্যবসিত কৰা দেখা গৈছে। এনে ব্যৱস্থাই অনাগত দিনত ভাৰতীয় গণতন্ত্ৰক সম্পূৰ্ণ ধ্বংসৰ দিশলৈ লৈ যাব পাৰে। এনে ঘোঁৰা বেপাৰ প্ৰতিৰোধ কৰাৰ বাবে যিদৰে শক্তিশালী আইনৰ অভাৱ ঠিক একেদৰে এনে কাৰ্যৰ বিৰুদ্ধে ব্যাপক হাৰত জনমত গঢ় লৈ উঠাও দেখা নাযায়।

এনেবোৰ সমস্যাক আমি গণতন্ত্ৰৰ অসুখ বুলিব পাৰোঁ। এনে ব্যাধিসমূহ এখন সমাজত বা দেশত তাৎক্ষণিকভাৱে দেখা দিয়া ব্যাধি নহয়। ই দীৰ্ঘদিন ধৰি ঘটি অহা ঘটনা প্ৰবাহৰ ফলস্বৰূপ আৰু এনে ফলাফল সৃষ্টি হোৱাৰ বাবে প্ৰচলিত শিক্ষা ব্যৱস্থাৰ কেৰোণসমূহ মূলতঃ জগৰীয়া।

ঠিকনা ঃ সহকাৰী অধ্যাপক, শিক্ষা বিভাগ, বৰহাট ভবানী প্ৰসাদ বৰুৱা সোঁৱৰণী মহাবিদ্যালয়, বৰহাট, চৰাইদেউ-৭৮৫৬৯৩, ফোন ঃ ৯৪৩৫৮৯০৯৪১, ৮১৩৩৮৬০১৯৫